**SEWA ৰ দৃষ্টি (Vision of SEWA):**

স্বাধীন ভাৰতৰ লক্ষাধিক শ্ৰমিকে বৰ্তমানেও পূৰ্ণ স্বৰাজৰ পৰা বঞ্চিত হৈ আছে, যাৰ অৰ্থ হ'ল সম্পূৰ্ণ স্বাধীনতা। এই স্বাধীনতা হ'ল অৰ্থনৈতিক আত্মনিৰ্ভৰ আৰু মানসিক আত্মনিৰ্ভৰ, য'ত তেওঁলোকে নিজৰ ভাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে; এই দুয়োপ্ৰকাৰৰ অধিকাৰ উপভোগ কৰিব পৰা অৱস্থা। আমাৰ অভিজ্ঞতাৰ পৰা আমি দেখা পাইছোঁ যে পূৰ্ণ নিয়োগৰ অবিহনে এইয়া কেতিয়াও সম্ভৱ নহয়।

পূৰ্ণ নিয়োগ মানে প্ৰতিঘৰ মানুহে নিজৰ মৌলিক প্ৰয়োজন সমূহ; অৰ্থাৎ খাদ্য নিৰাপত্তা, পৰিষ্কাৰ পানী, বস্ত্ৰ আৰু বাসগৃহৰ সুবিধা সমূহ লাভ কৰা। তেওঁলোকৰ নিজা উপাৰ্জনৰ পৰা এই প্ৰয়োজন সমুহ পূৰণ কৰাৰ ক্ষমতা থকা বাঞ্চনীয়। তেওঁলোকে লগতে সামাজিক নিৰাপত্তা সমূহ, যেনে– স্বাস্থ্য সুৰক্ষা, শিশু প্ৰতিপালন ও দায়বদ্ধতা, বীমা আৰু পেঞ্চনৰ সুবিধা সমূহো লাভ কৰা উচিত। SEWA ৰ মুখ্য উদ্দেশ্য হ'ব প্ৰতিগৰাকী সদস্যক সম্পূৰ্ণ নিয়োগ লাভ কৰিব পৰা অৱস্থালৈ সহায় কৰি যোৱা।

অহিংস সংগ্ৰাম, গঠনমূলক আৰু যুক্তবদ্ধ কামৰ যোগেদি পূৰ্ণ নিয়োগ পাবলৈ SEWA ৰ সদস্য সকলে সংঘবদ্ধ হৈ কাম কৰিব। SEWA ৰ মুখ্য মূল্যবোধ হ'ল অখণ্ডতা, সাম্প্ৰদায়িক সৌহাদ্য, সামাজিক ন্যায় আৰু সৰলতা।

মহিলা কৰ্মী সকলক একত্ৰিকৰণৰ যোগেদি তেওঁলোকৰ অধিকাৰ আৰু কৰ্মক দৃশ্যমান কৰি তোলাৰ সুবিধা হ'ব। দেশৰ অৰ্থনীতিলৈ তেঁওলোকৰ অৰিহণা মূল্যবান হৈ ৰ'ব।

পূৰ্ণ স্বাধীনতাত তেতিয়াহে উপনীত হব পৰা যাব, যেতিয়া মহিলা কৰ্মী সকলে তেওঁলোকৰ পৰিয়াল আৰু সম্প্ৰদায়ক নেতৃত্ব প্ৰদান কৰিব।